## তিনিচুকীয়াত সতী জয়মতী দিৱস উদ্‌যাপন

# ব্ৰিমেনজ কলেজত হাতে লিখা আলোচনী উন্মোচন

তিনিচুকীয়া, ২৭ মাৰ্চ ঃ সমগ্ৰ অসমৰ লগতে ব্ৰিমেনজ কলেজৰ তিনিচুকীয়াৰ অসমীয়া বিভাগে সতী জয়মতীৰ স্মৃতি দিৱসটি মহাবিদ্যালয়ৰ মলয় পাল প্ৰেক্ষাগৃহত পালন কৰে এই অনুষ্ঠানটিতে বিভাগটোৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰীসকলে বিভাগৰ অধ্যাপিকা ড° কৰবী বৰুৱা গগৈৰ তত্ত্বাৱধানত, ছাত্ৰী মৃণাশ্ৰী আৰু তিনা গগৈৰ সম্পাদনাত লিখি উলিওৱা হাতে লিখা আলোচনী 'প্ৰয়াস' উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ফনিন

৮ পৃষ্ঠাত

# ব্ৰিমেনজ কলেজত হাতে লিখা

মৰাণে। উন্মোচনীৰ বক্তব্যত তেওঁ অসমীয়া বিভাগৰ ছাত্ৰীসকলৰ সুন্দৰ হাতৰ আখৰ, সুন্দৰ বেটুপাত আৰু অংগ সজ্জাত প্ৰয়োগ কৰা কলাসুলভ প্ৰতিভাক উচ্চ প্ৰশংসা কৰে আৰু সকলোলৈকে শুভেচ্ছা জ্ঞাপন কৰে। বুৰঞ্জী বিভাগৰ এগৰাকী অধ্যাপক হিচাপে তেওঁ বুৰঞ্জীৰ পটভূমিত জয়মতীৰ জীৱন কাহিনী ছাত্ৰীসকলৰ আগত ব্যক্ত কৰাৰ লগতে আজিৰ দিনটোত জয়মতীক সমগ্ৰ অসমে সোঁৱৰণ কৰাৰ গুৰুত্ব ছাত্ৰীসকলক বুজাই দিয়ে। আলোচনী সম্পাদিকা মৃণাশ্ৰী বৰাই সম্পাদকীয় মন্তব্যত শিক্ষণ আৰু শিকনৰ জৰিয়তে লাভ কৰা জ্ঞানৰ বহিঃপ্ৰকাশ হৈছে প্ৰয়াসৰ তৃতীয় বছৰৰ প্ৰথম সংখ্যা বুলি উল্লেখ কৰে। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান দেৱাশীষ ফুকনে সভাপতিত্ব কৰা অনুষ্ঠানটিত বিভাগৰ অধ্যাপিকা মালবিকা দাস হাজৰিকাই 'মই জয়মতি' শীৰ্ষক কবিতা পাঠ কৰে। ড° কৰবী বৰুৱা গগৈ, অনিন্দিতা গগৈ বৰুৱাই বক্তব্য প্ৰদান কৰে। ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী ৰিতু দাসে বিষ্ণুপ্ৰসাদ ৰাভাৰ কালজয়ী 'জয়া নাই, জয়া নাই..' গীতটি পৰিৱেশন কৰি সভাখনি জীপাল কৰি তোলে। সভাপতিৰ মন্তব্যত দেৱাশীষ ফুকনে বুৰঞ্জীৰ প্ৰসংগৰে জয়মতী সম্পৰ্কীয় তথ্যবহুল বক্তব্য দাঙি ধৰে। অসমীয়া বিভাগৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰী নিকি কাহাৰে আঁত ধৰা সভাখনিত উদ্দেশ্য ব্যাখ্যা কৰে ডলী গগৈয়ে আৰু সভাৰ শেষত সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায় তিনা গগৈয়ে।